# GYAN MELA AT SARAIGHAT COLLEGE

# ON 21 JULY 2025

মঙলবাৰ, ২২ জুলাই ২০২৫ নিয়মীয়া বাৰ্তা

## চাংসাৰিত চেমনীয়া ৰং চ'ৰাৰ উদ্যোগ

# গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

**নিয়মীয়া বাৰ্তা, চাংসাৰি, ২১ জুলাই ঃ** চেমনীয়া ৰং চ'ৰাৰ উদ্যোগত আৰু শৰাইঘাট মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান-নিৰূপণ কোষৰ সহযোগত শৰাইঘাট মহাবিদ্যালয়ত আয়োজন কৰা জ্ঞানমেলা শীৰ্ষক গ্ৰীষ্মকালীন কৰ্মশালাৰ ১৯ জুলাইত সামৰণি পৰে। সামৰণী অনুষ্ঠানত উপস্থিত থাকে শৰাইঘাট মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান-নিৰূপণ কোষৰ সমন্বয় ড° মানস বৰদলৈ, শৰাইঘাট মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জ্ঞানদা নাথ, শিক্ষক মুছলিম আলী। তেওঁলোকে কৰ্মশালাখনত যোগদান কৰা শিক্ষাৰ্থীসকলৰ উদ্দেশ্যে প্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। ১৫ জুলাইত শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণি শৰ্মা শাস্ত্ৰীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰা কৰ্মশালাখনত অঞ্চলটোৰ ভালেসংখ্যক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত কুইজ, কবিতা আবৃত্তি, যোগাসন, সাধুকথা কোৱা, জীৱন কৌশল, কিতাপ পঢ়ো আহাঁ, ডিজিটেল সাক্ষৰতা, অভিৰোচন আৰু কেৰিয়াৰ কথা শিতানত প্ৰশিক্ষণ প্ৰদান কৰে চৈয়দ আব্দুৰ ৰ্‌ছিদ চৌধুৰী, ড° জিতুল আলী, মৃণাল কুমাৰ নাথ, ৰেজমা বেগম, জ্যোতিৰ্ময়ী দেৱী, মিজানুৰ ৰহমান, বন্তি বৰা, ৰাজিকুল হুছেইন, বশিষ্ঠ মেধিয়ে। সামৰণী অনুষ্ঠানত শিক্ষাৰ্থীসকলক একোখনকৈ অংশগ্ৰহণ কৰাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। চেমনীয়াৰ ৰং চ'ৰাৰ হৈ সমগ্ৰ কাৰ্যসূচী পৰিচালনা কৰা বিণ্টু দাস, বশিষ্ঠ মেধি, ৰাজিকুল হুছেইন আৰু চৈয়দ আব্দুৰ ৰছিদ চৌধুৰীয়ে।